*Form No. Ex- 8*

Particulars about the candidate and the subject are **checked thoroughly** and corrected where necessary.

*Sl. No.*......062..........

**CENTRE CODE :..............**

**Invigilator**

**Signature of Officer-in-Charge**

# KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY

## Degree 3rd Semester Examination, 2015

**বিষয় ঃ অসমীয়া**

**অসমীয়া কবিতা [BAE M-06]**

সময় ঃ তিনি ঘণ্টা মুঠ নম্বৰ ঃ 80

**448 (AEM-04)**

**Enrolment Number** 

**Medium of Answer :** 

| Que. No. | Marks |
|---|---|
| 1. | |
| 2. | |
| 3. a | |
| 3. b | |
| 3. c | |
| 3. d | |
| 3. e | |
| 3. f | |
| 3. g | |
| 4. a | |
| 4. b | |
| 4. c | |
| 5. a | |
| 5. b | |
| 5. c | |
| | |
| | |
| | |
| | |
| | |
| **Total** | |

**INSTRUCTIONS TO CANDIDATES**

1. This booklet contains.....24.... Pages numbering...23..Please verify number of pages in the booklet before answering.
2. An Examinee is allowed to bring only Admission Card and Identity Card to the Examination Hall. Any Examinee found in possession of loose papers, books etc. is liable to be Expelled.
3. Enrolment No. and Medium of answer must be written legibly at the specified places. Examinee's name and any other identifying mark which reveals examinees identity shall not be written anywhere in the script.
4. For Making calculations, only the last page provided for rough work shall be used.
5. No pages of the script be torn out .
6. Calculators will not be allowed for making calculations in the examination hall. ***MOBILE PHONES are strictly prohibited in the examination Centre***.
7. No candidate will be allowed to leave or go out of the hall during the First hour of the Examination.
8. A candidate having completed his/her answer, the script must be handed over, to an invigilator before leaving the hall.
9. Contravention of any of the instructions mentioned above shall render a candidate liable for disciplinary action as per regulations of the University.

Mandatory

Examiner's Signature : ____________

Examiner's Full Name : ____________________________

Scrutiniser's Signature : ____________

Scrutiniser's Full Name : ____________________________

Head Examiner's Signature : ____________________

১। তলৰ প্ৰশ্নসমূহৰ যিকোনো আঠটাৰ উত্তৰ লিখক। ১×৮ = ৮

(ক) মাধৱ কন্দলীয়ে ৰামায়ণ অনুবাদ কৰোঁতে তেওঁৰ মূল অনুবাদ নীতি কি হিচাপে গ্ৰহণ কৰিছিল?

(খ) পীতাম্বৰ কবিয়ে ৰচনা কৰা কাব্যসমূহৰ উমৈহতীয়া বিশেষত্ব কি বুলি ক'ব পাৰি?

(গ) 'ৰমন্যাস' শব্দটো কোনে কেতিয়া নিৰ্মাণ কৰি উলিয়াইছিল?

(ঘ) ১৯৪৩ চনত প্ৰকাশ পোৱা 'জয়ন্তী' কাকতৰ সম্পাদকদ্বয়ৰ নাম লিখক।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাই কিমান বছৰৰ বাবে জোনাকী কাকতৰ সম্পাদকৰ ভাৱ গ্ৰহণ কৰিছিল?

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত প্ৰতিভাত বিষাদবোধৰ মূল আধাৰ কি?

(ছ) অসমীয়া কাব্য সাহিত্যত নলিনীবালা দেৱী কি কবিৰূপে পৰিচিত?

(জ) নৱকান্ত বৰুৱাৰ 'হে অৰণ্য হে মহানগৰ' কাব্য পুথিখন কিমান চনত প্ৰকাশ পাইছিল?

(ঝ) নীলমণি ফুকন কিমান চনত সাহিত্য অকাডেমিৰ ফেল'ৰূপে সন্মানিত হয়?

(ঞ) 'ব্ৰহ্মপুত্ৰ সূৰ্যাস্ত' কবিতাটো কবিগৰাকীৰ কোনখন কাব্যগ্ৰন্থৰ অন্তৰ্ভুক্ত?

২। তলৰ প্ৰশ্নসমূহৰ যিকোনো আঠটাৰ উত্তৰ লিখক। ২×৮ = ১৬

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) মাধৱ কন্দলীৰ ৰামায়ণত অসমীয়া সমাজৰ চিত্ৰ কেনেদৰে ফুটি উঠিছে চমুকৈ লিখক।

(খ) তলৰ শব্দকেইটাৰ অৰ্থ লিখক—

ভ্ৰমৰ, বাহুয়, কাঞ্চি, চৌভিতা।

(গ) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটোত কবিয়ে পাতালৰ চিত্ৰ কেনেদৰে অংকন কৰিছিল তাৰ চমু বৰ্ণনা কৰক।

(ঘ) পীতাম্বৰ কবিৰ জীৱনী সম্পৰ্কে চমুকৈ লিখক।

(ঙ) আধুনিক অসমীয়া কবিতাৰ আংগিকগত বৈশিষ্ট্য সম্পৰ্কে এটি আলচ যুগুত কৰক।

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত দেখা পোৱা দেশপ্ৰেমমূলক কবিতাৰ ধাৰাটোৰ বিষয়ে এটি টোকা লিখক।

(ছ) ৰহস্যবাদ মানে কি বুজে? চমুকৈ লিখক।

(জ) 'পৰমতৃষ্ণা' মানে কি? আলোচনা কৰক।

(ঝ) 'পলস' শব্দটো কি অৰ্থত ব্যৱহাৰ কৰা হৈছে সেই বিষয়ে এটি আলচ যুগুত কৰক।

(ঞ) নীলমণি ফুকনৰ কাব্যচিন্তাৰ মূল বিশেষত্ব সম্পৰ্কে এটি টোকা লিখক।

৩। তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক। ৪×৫ = ২০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটোৰ কাব্যিক সৌন্দৰ্য কেনেদৰে প্ৰকাশ পাইছে সেই বিষয়ে এটি নিবন্ধ লিখক।

(খ) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটোত প্ৰতিভাত চিত্ৰলেখাৰ চৰিত্ৰ সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

(গ) ৰোমাণ্টিক কবিতাৰ বিষয়বস্তুগত বৈশিষ্ট্য সম্পৰ্কে এটি আলচ যুগুত কৰক।

(ঘ) প্ৰসংগ সংগতি সহ ব্যাখ্যা কৰক—

স্বৰ্গলোক চিত্ৰলেখা লেখিলাসকল।
তাত পাচে লেখিলেক মেদিনীমণ্ডল।।
লেখিলা সবাতো আগে দ্বাৰকানগৰী।
নৱঘনশ্যামল সুন্দৰ দেৱ হৰি।।

(ঙ) দেশ প্ৰেমমূলক কবিতা হিচাপে 'বীণ-বৰাগী' কবিতাটো বিচাৰ কৰক।

(চ) প্ৰসংগ সংগতিসহ ব্যাখ্যা কৰক—

আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সীৰলুত আমি সাৰ পাম। সিহঁতে পঢ়িব আমাৰ জীৱাশ্মত জাতিস্মৰৰ হাঁহি উঠা সাধু। সপোন অন্ধ যি গলিত আমি থাকো নয়নাজুলিত আমাৰ ভৱিষ্যৎ।

(ছ) ব্যাখ্যা কৰক প্ৰসংগ সংগতি দৰ্শাই —

শূণ্যতাৰ হাতৰপৰা সৰি পৰিল
দিনৰ হিৰণ্ময় হৃদয়-পাত্ৰ
নিঃশব্দে সৰি পৰিল
আৰু বুৰ গ'ল

৪। তলৰ প্ৰশ্নসমূহৰ যিকোনো দুটাৰ উত্তৰ লিখক। ৮×২ = ১৬

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটোত মাধৱ কন্দলীয়ে কেনেদৰে প্ৰাকৃতিক সৌন্দৰ্য প্ৰকাশ কৰিছে তাৰে এটি প্ৰবন্ধ যুগুত কৰক।

(খ) অসমীয়া ৰোমাণ্টিক কবিতাৰ পটভূমি সম্পৰ্কে এটি আলচ যুগুত কৰক।

(গ) এটি সাৰ্থক আধুনিক কবিতা হিচাপে 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত' কবিতাটো বিচাৰ কৰক।

৫। তলৰ প্ৰশ্নসমূহৰ যিকোনো দুটাৰ উত্তৰ লিখক। ১০×২ = ২০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ **৩০০-৫০০** টা শব্দৰ ভিতৰত লিখিব)

(ক) 'বীণ-ব'ৰাগী' কবিতাটো এটি ৰোমাণ্টিক কবিতা হিচাপে বিচাৰ কৰক।

(খ) 'পৰম-তৃষ্ণা' এটি ৰহস্যবাদী কবিতা — কথাষাৰৰ যথাৰ্থতা নিৰূপণ কৰক।

(গ) "পলস' কবিতাটোত অতীত আৰু বৰ্তমান যুগৰ সু-সমন্বয় সাধনৰ ছবি অংকিত হৈছে' — বিচাৰ কৰক।

................